# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::

তেল কোম্পানীসমূহে দেশজুৰি কাৰ্যকৰী হোৱাকৈ আজিৰেপৰা ৰাজসাহায্যবিহীন ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম ৬০ টকাকৈ বৃদ্ধি কৰিছে। একেদৰে ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰৰ দামো ১১৫ টকাকৈ বৃদ্ধি হৈছে। অসমতো আজিৰেপৰা এই নতুন নিৰিখ কাৰ্যকৰী হৈছে। মধ্যপ্ৰাচ্যৰ সংকটময় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চাহিদা অনুসৰি ৰন্ধন গেছৰ নাটনি হোৱাৰ সম্ভাৱনাই দেখা দিছে। এই সম্ভাৱনাৰ পাছতে আজি তেল কোম্পানীসমূহে ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম বৃদ্ধি কৰাৰ সিদ্ধান্ত লয়।

০০০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ন্যায়াধীশ সৌমিত্ৰ শইকীয়া নেতৃত্বাধীন ন্যায়িক আয়োগৰ সন্মুখত আজি শিল্পীগৰাকীৰ পত্নী গৰীমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰে সাক্ষ্য দিয়ে। আয়োগে বিচৰা অনুসৰি শিল্পীগৰাকীৰ পত্নী গৰীমা শইকীয়া গাৰ্গে কেতবোৰ কিতাপ আৰু বেংকৰ তথ্যও দাখিল কৰে।

০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট অভিনেতা, লেখক-গৱেষক তৰেণ চন্দ্ৰ বড়োৰ এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে তৰেণ চন্দ্ৰ বড়ো বৃহত্তৰ অসমীয়া জাতি গঠনৰ অন্যতম হোতা আছিল বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত দেউৰী সাহিত্য সভাৰ সভাপতি ডঃ ষড়ানন্দ দেউৰী, নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ অসমৰ সভাপতি ডঃ লক্ষীন্দ্ৰ কুমাৰ সিংহ, বাংলা সাহিত্য সভা অসমৰ সভাপতি খগেন চন্দ্ৰ দাসৰ লগতে বিভিন্ন জনগোষ্ঠীৰ সাহিত্য সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ ব্যৱস্থাপনাত অহা ২৪ মাৰ্চত নগাঁৰত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। নগাঁও ন্যায়িক আদালত ভৱন প্ৰাঙ্গনত হ'বলগীয়া এই লোক আদালতত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা, বিভিন্ন বেংকৰ ঋণ আদি গোচৰসমূহ খৰতকীয়াকৈ নিস্পত্তিৰ ব্যৱস্থা কৰা হ'ব। ইচ্ছুকসকলে এই সন্দৰ্ভত নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰী কাৰ্যালয়ৰ চতুৰ্থ মহলাৰ ৬৩ নম্বৰ কক্ষৰ লগত যোগাযোগ কৰিব পাৰিব।

০০০০০০০

চাওলুাং চ্যুকাফাকে ধৰি ৩৯গৰাকী স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াৰ পূণ্যাত্মাৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে চৰাইদেউ মৈদামথলীত কালিৰে পৰা দুদিনীয়াকৈ ৭৫ সংখ্যক স্মৃতি তৰ্পন অনুষ্ঠিত হয়। আজি চৰাইদেউ মৈদাম ক্ষেত্ৰত টাই আহোমৰ বান্থি পূজা অনুষ্ঠিত হয়। এই পূজাত ৪২খন শৰাই আগবঢ়াই স্বৰ্গদেউসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। উল্লেখযোগ্য যে ১৯৫২ চনৰ পৰাই চৰাইদেউ মৈদামথলীত স্বৰ্গদেউসকলৰ স্মৃতিত ৪২খন শৰাই আগবঢ়াই স্মৃতি তৰ্পন অনুষ্ঠানৰ আয়োজন কৰি অহা হৈছে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে ক্ৰীড়াক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণক উদযাপনৰ লক্ষ্যৰে কাইলৈ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত দেশৰ ২৫০ টা স্থানত অস্মিতা লীগৰ আয়োজন কৰা হৈছে। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু মাই ভাৰতৰ যুটীয়া উদ্যোগত কাইলৈ ১৩ বছৰ অনুৰ্ধ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰৰ আৰু ১৮ বছৰৰ উৰ্ধৰ শাখাত বিভিন্ন খেল অনুষ্ঠিত হ'ব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত কাইলৈ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মাই ভাৰত কেন্দ্ৰ গোৱালপাৰাৰ সহযোগত দুধনৈ হাইস্কুল খেলপথাৰতো অস্মিতা লীগৰ আয়োজন কৰা হৈছে। কোকৰাঝাৰ জিলাতো নাৰী দিৱস উপলক্ষে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। দিৱসৰ সৈতে সংগতি ৰাখি আজি কোকৰাঝাৰ বালিকা মহাবিদ্যালয়ত বেটী বচাও, বেটী পঢ়াও অভিযানৰ অংশ হিচাপে মহিলা সবলীকৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। চিৰাং জিলা সমাজ কল্যাণ বিভাগে নাৰী দিৱসৰ সৈতে সংগতি ৰাখি আজি জিলাখনৰ কাশীকোত্ৰাত বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত যতীন বৰা, জিলা গ্ৰামোন্নয়ন প্ৰকল্প সঞ্চালক অৰবিন্দ ৰাভাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হয়। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই সংবাদ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু এই সমস্যাসমূহ নেওচি কিদৰে আগবাঢ়ি যাব পাৰে সেই বিষয়ে অৱগত কৰে।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা বৃহস্পতিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ৰোমাঞ্চকৰ ছেমি ফাইনেলত ৭ ৰানত জয়লাভ কৰে। একেদৰে আন এখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ দ্ৰুততম শতকেৰে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

**সমাপ্ত**